# REGIONAL NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 24-02-2025
**Time:** 1845 Hrs

## *Assamese Evening Bulletin*
## *HEADLINES*

**- - - - - - - - - - - - - - -**

১। ঝুমইৰ বিনন্দিনী অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সৰুসজাই ষ্টেডিয়ামত বিপুল আদৰণিৰ প্ৰস্তুতি।

২। কাইলৈ প্ৰধানমন্ত্ৰীৰ এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ উদ্বোধন।

৩। এডভাণ্টেজ আছামত অংশগ্ৰহণৰ বাবে অসমলৈ অহা জাপানৰ উদ্যোগপতিৰ প্ৰতিনিধি দলৰ গুৱাহাটী বিশ্ববিদ্যালয় পৰিদৰ্শন।

৪। প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ ঊনবিংশ কিস্তিৰ জৰিয়তে ৰাজ্যখনৰ প্ৰায় ২০ লাখ ৮৭ হাজাৰ কৃষক উপকৃত। **আৰু**

৫। আই চি চি চেম্পিয়নছ্ ট্ৰফীত আজি বাংলাদেশৰ নিউজিলেণ্ডক জয়ৰ বাবে ২৩৭ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ।

ooooo

ঝুমইৰ বিনন্দিনী আৰু বিনিয়োগ তথা আন্তঃগাঁথনি সন্মিলন এডভাণ্টেজ আছামৰ অনুষ্ঠানত অংশ লোৱাৰ বাবে দুদিনীয়া ভ্ৰমণসূচীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কিছু সময় পূৰ্বে গুৱাহাটীত উপস্থিত হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰীগৰাকীক  বিমানবন্দৰত আদৰণি জনায়। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ বাচক বনিয়া সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনেৰে প্ৰধানমন্ত্ৰী মোদীক গুৱাহাটীৰ বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত বিপুল সম্ভাষন জনোৱা হয়। বিমান বন্দৰৰ পৰা সৰুসজাইলৈ পথৰ দুয়োকাষে অগণন লোকে প্ৰধানমন্ত্ৰীগৰাকীক আদৰণি জনায়।

অসমৰ চাহ শিল্পৰ ২০০ বছৰীয়া চহকী ঐতিহ্যক উদ্‌যাপনৰ অংশ হিচাপে ৰাজ্য চৰকাৰে আজি আয়োজন কৰা ঝুমুৰ নৃত্যৰ সৰ্ববৃহৎ অনুষ্ঠান ঝুমইৰ বিনন্দিনীৰ কিছু সময় পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শুভাৰম্ভ কৰে। গুৱাহাটী সৰুসজাই ষ্টেডিয়ামত এই অনুষ্ঠানত আঠ সহস্ৰাধিক শিল্পীয়ে একেলগে ঝুমুৰ পৰিৱেশন কৰিছে। ৰঙা পাৰিৰ শুভ্ৰ শাৰী পৰিহিতা চাহ জনগোষ্ঠীৰ গাভৰুৰ নৃত্যৰ ছন্দ আৰু ঢোল-মাদলৰ চেওত ষ্টেডিয়ামখন মুখৰ হৈ উঠিছে। চাহ জনগোষ্ঠীৰ চহকী সাংস্কৃতিক পৰম্পৰাক বিশ্ববাসীৰ সন্মুখলৈ লৈ যোৱাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে আয়োজন কৰা এই দৃষ্টিনন্দন কাৰ্যসূচী প্ৰধানমন্ত্ৰীৰ লগতে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰৰ নেতৃত্বত অহা ৬১ গৰাকী ৰাষ্ট্ৰদূতেও উপভোগ কৰে। ইয়াৰে ২২ গৰাকী ৰাষ্ট্ৰদূতে পৰিয়ালৰ সৈতে এই অনুষ্ঠান প্ৰত্যক্ষ  কৰে। এই অনুষ্ঠান ৰাজ্যৰ ৮০০ খন চাহ বাগিচাত টিভি, এল ই ডি, প্ৰজেক্টৰৰ জৰিয়তে চৰকাৰে প্ৰদৰ্শন কৰাৰ ব্যৱস্থা কৰা হৈছে। এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ অংশ হিচাপে ৰাজ্য চৰকাৰে আয়োজন কৰা অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত হৈ এখন বিশেষ বাহনেৰে

ষ্টেডিয়ামৰ চাৰিওফালে ঘূৰি অনুষ্ঠানত অংশগ্ৰহণ কৰা শিল্পী আৰু দৰ্শকক অভিবাদন জনায়। ঝুমুৰ নৃত্য শেষ হোৱাৰ পাছত এটা লেজাৰ শ্ব' প্ৰদৰ্শন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

ooooo

দেশী-বিদেশী বিনিয়োগকাৰীৰ অংশগ্ৰণেৰে কাইলৈ আৰু পৰহিলৈ গুৱাহাটীত হ'বলগীয়া উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰ পৰিদৰ্শন কৰি এই শীৰ্ষ সন্মিলনৰ অন্তিম প্ৰস্তুতিৰ বুজ লয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ এই সন্মিলন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। মুখ্যমন্ত্ৰী শৰ্মাই সন্মিলন উপলক্ষে নিৰ্মীয়মান সভাকক্ষ, পেভেলিয়ন, প্ৰদৰ্শনীস্থলীকে ধৰি অন্যান্য সা-সুবিধাসমূহৰ বুজ লোৱাৰ উপৰি সন্মিলনখন সাফল্যমণ্ডিত কৰি তোলাৰ বাবে সংশ্লিষ্ট বিষয়াসকলক যাৱতীয় নিৰ্দেশ দিয়ে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰৰ নেতৃত্বত ৪৫ খন দেশৰ ৰাষ্ট্ৰদূত তথা উচ্চায়ুক্তসকলৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দল এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলনত অংশ লোৱাৰ বাবে আজি বিয়লি গুৱাহাটীত উপস্থিত হয়। গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান বন্দৰত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, অতুল বৰাৰ উপৰি ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী আৰু শীৰ্ষ বিষয়াই তেওঁলোকক আদৰণি জনায়। উল্লেখযোগ্য যে, কালি ড০ জয়শংকৰৰ নেতৃত্বত এই দলটো যোৰহাটত উপস্থিত হয়। দলটোৱে কালি কাজিৰঙাত নিশা যাপন কৰি আজি পুৱা হাতী ছাফাৰী কৰাৰ পাছত মিহিৰমুখৰ পিলখানাত হাতীক বিভিন্ন খাদ্য খুৱায়। ৰাষ্ট্ৰীয় উদ্যানখন ভ্ৰমণ কৰি বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে এয়া সঁচাকৈয়ে এক অনন্য অভিজ্ঞতা বুলি মন্তব্য কৰে। ড০ জয়শংকৰৰ নেতৃত্বত এই ৰাষ্ট্ৰদূতসকলৰ অসম ভ্ৰমণে ৰাজ্যৰ বাবে বিদেশৰ সৈতে সহযোগিতাৰ অলেখ সুযোগ মুকলি কৰিব বুলি মুখ্যমন্ত্ৰী শৰ্মাই আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে ৰিলায়েন্স, আদানী, বেদান্ত, জে এছ্ ডব্লিউ, ৱেলস্পুন গ্ৰুপকে ধৰি দেশ-বিদেশৰ শীৰ্ষ উদ্যোগপতিসকলে এই শীৰ্ষ সন্মিলনত ভাগ ল'ব।

**ৰাইট (চি এম)**

এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলনৰ বাবে গুৱাহাটী মহানগৰীৰ সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। অনুষ্ঠানৰ সময়ছোৱাত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত হ'ব নোৱাৰে তাৰ বাবে পৰ্যাপ্ত সংখ্যক সুৰক্ষা কৰ্মী নিয়োগ কৰাৰ উপৰি সকলো দিশত নিৰাপত্তাৰক্ষী সকলে চোকা দৃষ্টি ৰাখিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেবিনেট মন্ত্ৰী, বিশিষ্ট উদ্যোগপতি আৰু ৰাষ্ট্ৰদূতসকলৰ ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত অতিৰিক্ত সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ছাত্ৰ-ছাত্ৰী, জ্যেষ্ঠ নাগৰিক তথা বিশেষভাৱে সক্ষম ব্যক্তি আৰু জৰুৰীকালীন বাহন আদিৰ চলাচলত সুবিধা হোৱাকৈ মহানগৰ আৰক্ষী জিলা প্ৰশাসনে কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। আজিৰেপৰা পৰা পৰহিলৈ পৰ্যন্ত এই নিৰ্দেশনাসমূহ কাৰ্যকৰী হ'ব।

ooooo

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অংশগ্ৰহণৰ বাবে আজি জাপানৰ উদ্যোগপতি ট'চিয়াকী নিচিকাৱা নেতৃত্বাধীন এটা প্ৰতিনিধি দল গুৱাহাটীত উপস্থিত হয়। দলটোৱে বিমান বন্দৰৰ পৰা পোনে পোনে গুৱাহাটী বিশ্ববিদ্যালয়লৈ যায়। প্ৰতিনিধি দলটোৱে বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ ননীগোপাল মহন্তৰ সৈতে গুৱাহাটী বিশ্ববিদ্যালয় আৰু জাপানৰ বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানৰ সৈতে শৈক্ষিক সহযোগিতা আগবঢ়াই নিয়াৰ সন্দৰ্ভত আলোচনাত মিলিত হয়। উপাচাৰ্যগৰাকীয়ে বিশ্ববিদ্যালয়খনৰ শৈক্ষিক আৰু আন্তঃগাঁথনিমূলক

সক্ষমতা সন্দৰ্ভত প্ৰতিনিধি দলটোক অৱগত কৰে। জাপানৰ দলটোৱে উত্তৰ-পূৰ্বাঞ্চলৰ বিশেষকৈ অসমৰ ল'ৰা-ছোৱালীক জাপানী ভাষা আৰু আচৰণগত দিশসমূহৰ প্ৰশিক্ষণ দিয়াৰ বাবে আগ্ৰহ প্ৰকাশ কৰে। তেওঁলোকে লগতে কাৰিকৰী আৰু বিজ্ঞান ক্ষেত্ৰসমূহত গুৱাহাটী বিশ্ববিদ্যালয়ৰ চূড়ান্ত বৰ্ষৰ শিক্ষাৰ্থীসকলক জাপানী ভাষাৰ জ্ঞান দি তেওঁলোকক বৃত্তিগতভাৱে সাজু কৰি তোলাৰ বাবেও আগ্ৰহ প্ৰকাশ কৰে বুলি বিশ্ববিদ্যালয় কৰ্তৃপক্ষই জানিবলৈ দিয়ে।

০০০০০

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত ৰাজ্যত এক লাখ ২২ হাজাৰ কোটি টকাৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰৰ বাবে অনুমোদন জনোৱা হৈছে যদিও এই বিনিয়োগৰ পৰিমাণ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি এই সন্মিলনৰ অন্তিম পৰ্যায়ৰ প্ৰস্তুতি পৰ্যালোচনা কৰি সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে প্ৰথমবাৰৰ বাবে অসমত বৃহৎ সংখ্যক দেশী-বিদেশী প্ৰতিনিধি আৰু বিনিয়োগকাৰীৰ সমাগম হোৱাটোৱেই ইতিবাচক পৰিৱৰ্তনৰ সূচনা কৰিছে বুলি আশা কৰিব পাৰি।

***(বাইট ঃ মুখ্যমন্ত্ৰী, ইংৰাজী)***

উল্লেখযোগ্য যে কালি মন্ত্ৰী সভাৰ বৈঠকে এই সন্মিলনত এক লাখ ২২ হাজাৰ কোটি টকাৰ বুজাবুজিৰ চুক্তি স্বাক্ষৰৰ বাবে অনুমোদন জনাইছিল। এই সন্মিলনৰ সময়চোৱাতে জিলা পৰ্যায়ত ৫ লাখ টকাৰ পৰা ৫০ কোটি টকালৈ বিনিয়োগৰ বাবে জিলা আয়ুক্তসকলে ২হেজাৰ ৫৯০খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হ'ব বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। জিলা পৰ্যায়ত হোৱা এই চুক্তিৰ পৰা ১৫ হাজাৰ ৫৯০ কোটি টকা বিনিয়োগ হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰিছে। অৱশ্যে,কামৰূপ মহানগৰ জিলাৰ বাবে বুজাবুজিৰ চুক্তি সমূহ এডভাণ্টেজ আছাম সন্মিলনত স্বাক্ষৰ কৰা হ'ব। বস্ত্ৰ শিল্পৰ পৰা আৰম্ভ কৰি বিভিন্ন ক্ষেত্ৰত বিনিয়োগ সন্দৰ্ভত এই চুক্তিসমূহ স্বাক্ষৰ কৰা হ'ব। বিভিন্ন মন্ত্ৰালয়ে এই সন্মিলনত আন্তঃগাঁথনি বিনিয়োগৰ ঘোষণা কৰাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰিছে। ধন বিনিয়োগ সম্পৰ্কীয় বুজাবুজি চুক্তিৰ উপৰি বিত্তীয় উপাদান জড়িত নথকা কেতবোৰ চুক্তি যেনে-প্ৰযুক্তিৰ বণ্টন, শৈক্ষিক সহযোগিতাক ধৰি কেইবাটাও বিষয়ত চুক্তি স্বাক্ষৰ হ'ব বুলি তেওঁ কয়। ইয়াৰ ফলত বিনিয়োগৰ পৰিমাণ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ৰিলায়েন্স আৰু আদানী গ্ৰুপে সন্মিলনত কোনো ধৰণৰ চুক্তি নকৰে যদিও বিনিয়োগ সন্দৰ্ভত কেইবাটাও গুৰুত্বপূৰ্ণ ঘোষণা কৰিব বুলি ড০ শৰ্মাই কয়। একেদৰে, জাপান আৰু ছিংগাপুৰে বিনিয়োগ সন্দৰ্ভত চুক্তি নকৰে যদিও দেশ দুখনত অসমৰ যুৱক-যুৱতীৰ দক্ষতা বিকাশ আৰু কৰ্ম সংস্থাপনৰ সুযোগ দিব বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ ঊনবিংশ কিস্তিত ৰাজ্যখনৰ প্ৰায় ২০ লাখ ৮৭ হাজাৰ কৃষকে মুঠ ৪৭৫ কোটি টকা লাভ কৰিবলৈ সমৰ্থ হৈছে। এই অভিলাসী আঁচনিৰ জৰিয়তে কৃষকসকলক প্ৰত্যক্ষ আৰ্থিক সাহায্য প্ৰদান কৰি তেওঁলোকৰ সমৃদ্ধিশালী জীৱন সুনিশ্চিত কৰাৰ প্ৰয়াস কৰা হৈছে। এই আঁচনিৰ অধীনত প্ৰতিগৰাকী যোগ্য কৃষকে প্ৰত্যক্ষ লাভালাভ হস্তান্তৰৰ জৰিয়তে ২ হাজাৰ টকাকৈ লাভ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ ভগলপুৰত আয়োজিত **কিষাণ সন্মান সমাৰোহত** অংশগ্ৰহণ কৰি সমগ্ৰ দেশৰ ৯ কোটি ৮ লাখৰো অধিক কৃষকৰ বাবে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ ঊনবিংশ কিস্তিত ২২ হাজাৰ কোটি টকা আনুষ্ঠানিকভাৱে মুকলি কৰে। দেশৰ বিভিন্ন প্ৰান্তৰ কৃষকসকলৰ লগতে কৃষি বিভাগৰ

সংশ্লিষ্ট বিষয়াসকলে এই অনুষ্ঠানত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰে। গুৱাহাটীৰ জনতা ভৱনৰ পৰা কৃষিমন্ত্ৰী অতুল বৰা, কৃষি বিভাগৰ আয়ুক্ত সচিব তথা কৃষি উৎপাদন আয়ুক্ত অৰুণা ৰাজোৰীয়া, কৃষি সঞ্চালক ভাস্কৰ পেগু, অতিৰিক্ত সচিব ত্ৰিপুৰেন্দ্ৰ পাটৰ, যুটীয়া সচিব বিপুল দাসকে ধৰি কৃষি বিভাগৰ অন্যান্য বিষয়াসকলে এই অনুষ্ঠানত ভাগ লয়। উল্লেখযোগ্য প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ অষ্টাদশ কিস্তিৰ জৰিয়তে ৰাজ্যৰ ১৮ লাখ ৮৮ হাজাৰ কৃষক উপকৃত হৈছিল। শেহতীয়াকৈ ৰাজ্যত এই কিস্তিৰ বাবে যোগ্য হিতাধিকাৰীৰ হাৰ ১০ শতাংশ বৃদ্ধি পাইছে বুলি কৃষিমন্ত্ৰী অতুল বৰাই এটা বাৰ্তাত প্ৰকাশ কৰিছে। সমগ্ৰ ৰাজ্যতে এই আঁচনিৰ অধীনত যোগ্য কৃষকৰ পঞ্জীয়ন বৃদ্ধিৰ বাবে কৃষি বিভাগে সক্ৰিয় পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলি কৃষিমন্ত্ৰীগৰাকী জানিবলৈ দিয়ে।

চৰাইদেউ জিলাৰ সোণাৰি কৃষি উন্নয়ন বিষয়াৰ কাৰ্যালয়ত এই উপলক্ষে আয়োজিত সভাত জিলা আয়ুক্ত ডাঃ নেহা যাদৱ মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত ৫০ৰো অধিক কৃষক আৰু বিভাগীয় বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। জিলাখনৰ চেপন গাঁও পঞ্চায়ত, নিমনাগড় কৃষি উন্নয়ন কাৰ্যালয়, সাপেখাটি, ৰজাবাৰী, পূৰ্বাঞ্চল দিচাংপানী গাঁও পঞ্চায়তৰ কৃষকসকলকো এই অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ দেখুওৱাৰ প্ৰয়াস কৰা হয়। উল্লেখযোগ্য যে চৰাইদেউ জিলাৰ ৩২ হাজাৰ ৬২৯ গৰাকী কৃষকে এইবাৰ এই আঁচনিৰ ধন লাভ কৰিছে।

০০০০০

অসম আৰক্ষীৰ মাদক দ্ৰব্য বিৰোধী অভিযানৰ অংশ হিচাপে ধুবুৰী জিলাৰ তামাৰহাট আৰু পাগলাহাট আৰক্ষীয়ে অভিযান চলাই ২৭টা নিচাযুক্ত দ্ৰব্য ভৰ্তি কণ্টেইনাৰসহ এজন লোকক আটক কৰে। ধৃত লোকজন ইনজামুল হক ওৰফে বাপ্পী বুলি চিনাক্ত কৰা হৈছে। আৰক্ষীয়ে লোকজনৰ পৰা এখন চাৰিচকীয়া বাহন, দুটা মোবাইল ফোন আৰু নগদ ধন জব্দ কৰে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে গোচৰ ৰুজু কৰি অনুসন্ধান অব্যাহত ৰাখিছে।

০০০০০

বি টি চিৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ সঞ্চালকৰ কাৰ্যালয়ৰ উদ্যোগত আজি কোকৰাঝাৰত বিভাগটোৰ কৰ্মচাৰীসকলৰ বাবে এটা প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। বি টি চিৰ ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ কাৰ্যবাহী সদস্য ডাউবৈচা বড়োৱে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। বিভাগটোৰ বিষয়া-কৰ্মচাৰীসকলৰ সংশ্লিষ্ট ক্ষেত্ৰত জ্ঞান আৰু দক্ষতা বৃদ্ধি উপৰি তেওঁলোকক কাম-কাজ ক্ষিপ্ৰতাৰে কৰাৰ কৌশল আয়ত্ব কৰোৱাৰ বাবে এই অনুষ্ঠানৰ আয়োজন কৰা হয়।

০০০০০

মিজোৰামৰ ৰাজ্যপাল অৱসৰপ্ৰাপ্ত জেনেৰেল বিজয় কুমাৰ সিঙে আজি ৰাজ্যখনত বিত্তীয় সাক্ষৰতা সপ্তাহ ২০২৫ৰ শুভাৰম্ভ কৰে। বিত্তীয় সাক্ষৰতা-মহিলাৰ সমৃদ্ধি শীৰ্ষক বিষয়েৰে এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত অংশ লৈ ৰাজ্যপালগৰাকীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰে দেশবাসীক ২০৪৭ চনত বিকশিত ভাৰতৰ লক্ষ্যত উপনিত হোৱাৰ বাবে সুনিৰ্দিষ্ট আৰু স্পষ্ট নীতি যুগুত কৰি দিছে। বিত্তীয় সাক্ষৰতা বিষয়টো সকলোৱে বুজি পোৱা উচিত বুলি ৰাজ্যপালগৰাকীয়ে মন্তব্য কৰে। ভাৰতক উন্নত ৰাষ্ট্ৰ হিচাপে ৰূপান্তৰ ঘটোৱাৰ লক্ষ্যৰে ২০৪৭ চনৰ বিকশিত ভাৰতৰ দৃষ্টিভংগী গ্ৰহণ কৰা হৈছে আৰু এই ক্ষেত্ৰত বিত্তীয় সাক্ষৰতা কাৰ্যসূচীয়ে ইন্ধন যোগাব বুলি তেওঁ উল্লেখ কৰে। ৰাজ্যপাল গৰাকীয়ে মিজোৰামৰ সকলো বেংক

আৰু বিত্তীয় প্ৰতিষ্ঠানক ৰাজ্যখনৰ জনসাধাৰণক বিত্তীয় ব্যৱস্থাৰে সামৰি লোৱাটো প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

ooooo

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰাৱলপিণ্ডি ক্ৰিকেট ষ্টেডিয়ামত গ্ৰুপ-এৰ এখন খেলত বাংলাদেশে নিউজিলেণ্ডক জয়ৰ বাবে ২৩৭ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। বাংলাদেশে নিৰ্ধাৰিত ৫০ অভাৰত ৯ উইকেটৰ বিনিময়ত ২৩৬ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ নাজমুল হুছেইন শান্তোৱে সৰ্বাধিক ৭৭ ৰাণ কৰে। নিউজিলেণ্ডৰ মাইকেল ব্ৰেচৱেলে ৪টা উইকেট দখল কৰাৰ লগতে উলিয়াম অ'ৰুৰকীয়ে দুটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে নিউজিলেণ্ডে টছত জিকি বাংলাদেশক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনায়।

আমালৈ বাতৰি অহাৰ পৰলৈকে নিউজিলেণ্ডে ৩ অভাৰত এটা উইকেট হেৰুৱাই ১৩ ৰাণ কৰি খেলি আছে।

ooooo

সমাপ্ত